**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 30-03-2025
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***

---

১। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ আজি বৰমপুৰ সমষ্টিত কেইবাটাও প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন।

২। ৰাভা-হাছং স্বায়ত্তশাসিত পৰিষদৰ নিৰ্বাচনৰ প্ৰচাৰ অভিযানৰ সামৰণিলৈ প্ৰায় ৩০ ঘণ্টা বাকী থকা অৱস্থাত প্ৰচাৰ অভিযান তুংগত।

৩। আকাশবাণীযোগে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ আজি ১২০ সংখ্যক **মন কী বাত** অনুষ্ঠান।

৪। ডিব্ৰুগড়ক বৌদ্ধিক বিকাশৰ কেন্দ্ৰ হিচাপে গঢ়ি তোলাৰ ওপৰত কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ গুৰুত্ব আৰোপ। **আৰু**

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি গুৱাহাটীত ৰাজস্থান ৰয়েলছ, চেন্নাই ছুপাৰ কিংছৰ মুখামুখি।

০০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি বৰমপুৰ সমষ্টিত কেইবাটাও প্ৰকল্পৰ উদ্বোধন কৰাৰ লগতে আধাৰশিলা স্থাপন কৰিব। কামপুৰ ক্ৰীড়া সন্থাৰ খেল পথাৰত দিনৰ ২ বজাত আয়োজিত ৰাজহুৱা সভাত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ লগতে মন্ত্ৰী পীযূষ হাজৰিকা, সাংসদ কামাখ্যা প্ৰসাত তাছা আৰু বিধায়ক জিতু গোস্বামীয়ে অংশগ্ৰহণ কৰিব। অনুষ্ঠানত মুখ্যমন্ত্ৰীগৰাকীয়ে কপিলী নৈৰ ওপৰৰ পুৰণি দলঙত ৰাকিং জ'ন আৰু কামপুৰ ৰে'লৰে উৰণ সেতু ৰাইজৰ বাবে মুকলি কৰিব। ইয়াৰ পাছত তেওঁ কামপুৰ, চামগুৰি, কচুৱা, খাটোৱাল আৰু যমুনামুখ আৰক্ষী চকীৰ বাবে নৱ আৱণ্টিত গৃহৰ আধাৰশিলা স্থাপন কৰিব। আজিৰ দিনটোত মুখ্যমন্ত্ৰীগৰাকীয়ে সমষ্টিটোত মুঠ ৮৩ কোটি টকাৰ প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব।

০০০০০০

ৰাভা-হাছং স্বায়ত্তশাসিত পৰিষদৰ নিৰ্বাচনৰ প্ৰচাৰ অভিযানৰ কাইলৈ অন্তিম দিন হোৱাৰ পৰিপ্ৰেক্ষিতত বিভিন্ন ৰাজনৈতিক দলৰ প্ৰচাৰ অভিযান তুংগত উঠিছে। গোৱালপাৰা আৰু কামৰূপৰ ৩৩টা পৰিষদীয় সমষ্টিত অহা ২ এপ্ৰিলত হ'বলগীয়া এই নিৰ্বাচনৰ বাবে কালি মুখ্যমন্ত্ৰী তথা বিজেপি দলৰ জ্যেষ্ঠ নেতা ড০ হিমন্ত বিশ্ব শৰ্মাই গোৱালপাৰাৰ দুধনৈ আৰু কামৰূপ জিলাৰ বকোত দুখনকৈ নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে ৰাভা-হাছং স্বায়ত্তশাসিত পৰিষদৰ সৰ্বাংগীণ উন্নয়নৰ বাবে শীঘ্ৰে গৃহ বিভাগ, ৰাজ্য চৰকাৰ আৰু ৰাভা জনগোষ্ঠীৰ ত্ৰিপাক্ষিক বৈঠক অনুষ্ঠিত কৰাৰ কথা ঘোষণা কৰে। চৰকাৰী ভূমিত বসবাস কৰা ৰাভা জনগোষ্ঠীৰ লোকসকলক ভূমিপট্টা দিয়াৰ কথাও মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

**বাইট (চি এম)**

পৰিষদৰ অন্তৰ্গত গোৱালপাৰা জিলাত ১৯টা আৰু কামৰূপ জিলাত ১৪টা সমষ্টিত নিৰ্বাচন অনুষ্ঠিত হ'ব। সমষ্টিকেইটাত বিৰোধী কংগ্ৰেছকে ধৰি বিভিন্ন দল আৰু নিৰ্দলীয় প্ৰাৰ্থী সকলেও প্ৰচাৰ অব্যাহত ৰাখিছে।

কামৰূপ জিলাত আজি কেন্দ্ৰীয় মন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা সৰ্বানন্দ সোণোৱালে প্ৰচাৰ চলোৱাৰ কথা। এই সন্দৰ্ভত আমাৰ কামৰূপ জিলাৰ সংবাদদাতা কৌশিক দাসে এইদৰে কয়–

**ভইচ (কৌশিক দাস)**

উল্লেখযোগ্য যে পৰিষদৰ ৪০ খন আসনৰ ভিতৰত ৪ খনৰ বাবে সদস্য মনোনীত কৰা হয়। তিনিখনত এন ডি এৰ প্ৰাৰ্থী তিনিগৰাকী বিনা প্ৰতিদ্বন্দ্বিতাৰে জয়ী হৈছে। ৩৩ খন আসনৰ বাবে ২ এপ্ৰিলৰ পুৱা ৭ বজাৰ পৰা বিয়লি ৩ বজালৈ নিৰ্বাচনৰ ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। সমষ্টিকেইটাত ৪ লাখ ৪৫ হাজাৰ ৫৮৬ গৰাকী ভোটদাতা আছে আৰু ইয়াৰে ২ লাখ ২৯ হাজাৰ ৩৯৪ গৰাকী মহিলা ভোটদাতা। ৪ এপ্ৰিলত নিৰ্বাচনত নিৰ্বাচনৰ ফলাফল ঘোষণা কৰা হ'ব।

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি দিনৰ ১১ বজাত আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ যোগেদি দেশ-বিদেশৰ শ্ৰোতাৰ আগত মনৰ ভাৱ ব্যক্ত কৰিব। এয়া হ'ব অনুষ্ঠানটোৰ ১২০ সংখ্যক খণ্ড। এই অনুষ্ঠান আকাশবাণী- দূৰদৰ্শনৰ সকলো নেটৱৰ্কৰ লগতে আকাশবাণীৰ ৱেবচাইট আৰু নিউজ অন এয়াৰ ম'বাইল এপতো শুনিবলৈ পোৱা যাব। আকাশবাণী, ডিডি নিউজ, প্ৰধানমন্ত্ৰীৰ কাৰ্যালয় আৰু তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ ইউ টিউব চেনেলতো এই অনুষ্ঠান পোনপটীয়াকৈ প্ৰচাৰ কৰা হ'ব। আকাশবাণী গুৱাহাটীয়ে এই অনুষ্ঠানৰ ঠিক পাছতে অনুষ্ঠানটোৰ অসমীয়া ভাষান্তৰ প্ৰচাৰ কৰিব।

০০০০০০

ডিব্ৰুগড়ক বৌদ্ধিক বিকাশৰ কেন্দ্ৰ হিচাপে গঢ়ি তোলাৰ ওপৰত কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে গুৰুত্ব আৰোপ কৰিছে। কালি ডিব্ৰুগড়ত কেন্দ্ৰীয় বিদ্যালয়ৰ নতুন স্থায়ী ভৱনৰ আধাৰশিলা স্থাপন কৰি মন্ত্ৰীগৰাকীয়ে এই কথা প্ৰকাশ কৰে।

**বাইট (সৰ্বানন্দ)**

কেন্দ্ৰীয় বিদ্যালয়সমূহে গুণগত শিক্ষাৰ প্ৰসাৰেৰে দেশত মানৱ সম্পদ গঢ় দিয়াত অগ্ৰণি ভূমিকা পালন কৰি আহিছে বুলি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে এই অনুষ্ঠানত মন্তব্য কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ দূৰদৰ্শী নেতৃত্বত ৰাষ্ট্ৰীয় শিক্ষানীতিয়ে শৈক্ষিক ক্ষেত্ৰত নতুন দিগন্তৰ সূচনা কৰিছে বুলিও তেওঁ প্ৰকাশ কৰে। মন্ত্ৰীগৰাকীয়ে জ্ঞান অন্বেষণৰ লগতে সৃষ্টিশীলতা, উদ্ভাৱনী কৌশল আৰু ন-ন প্ৰযুক্তিৰ অৱলম্বনৰ দ্বাৰা ছাত্ৰ-ছাত্ৰীসকলৰ সৱলীকৰণত গুৰুত্ব দিবলৈ কেন্দ্ৰীয় বিদ্যালয়ৰ কৰ্তৃপক্ষক আহ্বান জনায়। উল্লেখযোগ্য যে ডিব্ৰুগড় নগৰৰ ৩৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ দাঁতিৰ কনভয় ৰোডত কেন্দ্ৰীয় বিদ্যালয়ৰ নতুন স্থায়ী ভৱনৰ আধাৰশিলা স্থাপন কৰা হয়। প্ৰায় ৩৭ কোটি টকা ব্যয় সাপেক্ষে বিদ্যালয়ৰ ভৱন নিৰ্মাণ কৰা হ'ব। এই উপলক্ষে কালি অনুষ্ঠিত মাংগলিক অনুষ্ঠানত কেন্দ্ৰীয় মন্ত্ৰীগৰাকীৰ লগতে মন্ত্ৰী প্ৰশান্ত ফুকন আৰু বিভিন্ন নিকায় নিগমৰ অধ্যক্ষ-উপাধ্যক্ষ উপস্থিত থাকে। উল্লেখযোগ্য যে ২০০৩ চনৰ পৰা ডিব্ৰুগড়ৰ চৌকিডিঙিত ডাক বিভাগৰ ভৱনত অস্থায়ীভাৱে কেন্দ্ৰীয় বিদ্যালয়খনৰ পাঠদান চলি আহিছে।

কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কালি ডিব্ৰুগড় জিলা আয়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত জিলা উন্নয়ন সমন্বয় আৰু নিৰীক্ষণ সমিতিৰ বৈঠকতো অংশগ্ৰহণ কৰে। এই বৈঠকত জিলাখনৰ বিভিন্ন বিভাগত ৰূপায়িত আঁচনিসমূহৰ কাম-কাজৰ অগ্ৰগতি পৰ্যালোচনা কৰা হয়। শ্ৰীসোণোৱালে চৰকাৰী নীতি নিৰ্দেশনা অনুসৰি পুঁজিৰ সঠিক

ব্যৱহাৰৰ দ্বাৰা কাম-কাজসমূহ সম্পন্ন কৰিবলৈ নিৰ্দেশ দিয়ে। কালিৰ বৈঠকত শক্তি, দক্ষতা বিকাশ, নিয়োগ আদি দপ্তৰৰ মন্ত্ৰী প্ৰশান্ত ফুকন আৰু জিলাখনৰ বিধায়ককেইগৰাকী উপস্থিত থাকে।

০০০০০০

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই উজনি অসমৰ অন্যতম প্ৰধান নগৰ-ডিব্ৰুগড়ক ৰাজ্যৰ দ্বিতীয় ৰাজধানীৰূপে গঢ়ি তোলা হ'ব বুলি ঘোষণা কৰিছে। এই সম্পৰ্কত ডিব্ৰুগড়ৰ নাগৰিকসকলৰ অভিমতৰ ভিত্তিত আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে আজি সন্ধিয়া ৭ বাজি ৪৫ মিনিটত এটা বিশেষ সংবাদ চলন্তিকা প্ৰচাৰ কৰিব। আকাশবাণীৰ ডিব্ৰুগড়ৰ সংবাদদাতা যাদৱ গগৈৰ সহযোগত অনুষ্ঠানটো প্ৰযোজনা আৰু উপস্থাপন কৰিব ৰাজীৱ লোচন বৰঠাকুৰে।

০০০০০০

গুৱাহাটী উচ্চ ন্যায়ালয়ৰ নিৰ্দেশমৰ্মে প্ৰাথমিক শিক্ষা সঞ্চালকালয়ে নিম্ন আৰু উচ্চ প্ৰাথমিকৰ ৫ হাজাৰ ৫৫০টা নিয়মীয়া শিক্ষক পদৰ দ্বিতীয় পৰ্যায়ৰ নথি পৰীক্ষণ পৰৱৰ্তী নিৰ্দেশ নিদিয়া পৰ্যন্ত স্থগিত ৰাখিছে। উচ্চ ন্যায়ালয়ে চূড়ান্ত সিদ্ধান্ত গ্ৰহণ নকৰা পৰ্যন্ত নথি পৰীক্ষণ স্থগিত থাকিব বুলি নিৰ্দেশনাত উল্লেখ কৰা হৈছে। উল্লেখযোগ্য যে এই পদসমূহৰ নিযুক্তি প্ৰক্ৰিয়াক লৈ একাংশ প্ৰাৰ্থীয়ে ওজৰ আপত্তি দৰ্শাই উচ্চ ন্যায়ালয়ত আবেদন দাখিল কৰিছিল। এই আবেদনৰ শুনানি গ্ৰহণ কৰি উচ্চ ন্যায়ালয়ে পদসমূহৰ বাবে দ্বিতীয় পৰ্যায়ৰ নথি পৰীক্ষণ আৰম্ভ কৰিব নোৱাৰিব বুলি ৰায় দিছিল। পদসমূহৰ বাবে শিক্ষা সঞ্চালকালয়ে কালি খানাপাৰাৰ অসম কৃষি বিশ্ববিদ্যালয়ৰ আন্তঃৰাষ্ট্ৰীয় অতিথিশালাত প্ৰথম পৰ্যায়ৰ নথি পৰীক্ষণ সম্পন্ন কৰে। দ্বিতীয় পৰ্যায়ৰ নথি পৰীক্ষণ অহা ১ এপ্ৰিলত আৰম্ভ কৰাৰ সিদ্ধান্ত লোৱা হৈছিল যদিও উচ্চ ন্যায়ালয়ৰ নিৰ্দেশমৰ্মে এই প্ৰক্ৰিয়া স্থগিত ৰখা হৈছিল।

০০০০০০

বিশিষ্ট সমালোচক, পণ্ডিত, অধ্যাপক ৰঞ্জিৎ দেৱ গোস্বামীক পশ্চিমবংগৰ বিশ্বভাৰতী বিশ্ববিদ্যালয়ৰ শ্ৰীমন্ত শংকৰদেৱ আসনৰ অধ্যাপক হিচাপে নিযুক্তি দিয়া হৈছে। বিশ্ববিদ্যালয়খনৰ ভাৰপ্ৰাপ্ত পঞ্জীয়ক অশোক কুমাৰ মাহাতোৱে শুকুৰবাৰে গোস্বামীলৈ নিযুক্তি পত্ৰ প্ৰেৰণ কৰে। উল্লেখযোগ্য যে যোৱা বছৰৰ ২৯ আগষ্টত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ উপস্থিতিত অসম চৰকাৰ আৰু বিশ্ববিদ্যালয়খনৰ কৰ্তৃপক্ষৰ মাজত বুজাবুজিৰ চুক্তিত স্বাক্ষৰ হৈছিল। এই চুক্তিত বিশ্বভাৰতী বিশ্ববিদ্যালয়ত শ্ৰীমন্ত শংকৰদেৱ আসন প্ৰতিষ্ঠাৰ বিষয়টো উত্থাপন কৰা হৈছিল। সেই অনুসৰি অধ্যাপকগৰাকীক ৫ বছৰৰ বাবে শ্ৰীমন্ত শংকৰদেৱ আসনৰ অনাবাসিক পৰামৰ্শদাতা অধ্যাপক ৰূপে নিযুক্তি দিয়া হৈছে।

০০০০০০

গুৱাহাটী বিশ্ববিদ্যালয়ে শিক্ষাৰ্থীসকলৰ বাবে ডিজিটেল ব্যৱস্থাৰে পৰীক্ষা সংক্ৰান্তীয় উদ্বেগ উত্থাপনৰ এটা নতুন প্ৰণালী প্ৰৱৰ্তন কৰিছে। বিশ্ববিদ্যালয়খনৰ উপাচাৰ্য ননী গোপাল মহন্তই কালি এই উদ্যামত অনুমোদন জনায়। বিদ্যালয় কৰ্তৃপক্ষই জাৰি কৰা জাননী অনুসৰি স্নাতক আৰু স্নাতকোত্তৰ শ্ৰেণীৰ শিক্ষাৰ্থীসকলৰ ওজৰ আপত্তিৰ বাবে সুকীয়া ই-মেইল আই ডিৰ ব্যৱস্থা কৰা হৈছে। এই ই-মেইল যোগে সংশ্লিষ্ট মহাবিদ্যালয়ৰ অধ্যক্ষ অথবা বিশ্ববিদ্যালয়ৰ বিভাগীয় মুৰব্বীৰ অনুমোদন সাপেক্ষে ওজৰ-আপত্তি দাখিল কৰিব পাৰিব। নিয়মীয়া পৰীক্ষা সংক্ৰান্তীয় আপত্তিসমূহ ৭২ কৰ্ম ঘণ্টাৰ ভিতৰত নিষ্পত্তি কৰা হ'ব আৰু শিক্ষাৰ্থীসকলে ই-মেইল যোগে ওজৰ-আপত্তিৰ স্থিতি সম্পৰ্কে তথ্য লাভ কৰিব বুলি জাননীখনত উল্লেখ কৰা হৈছে।

০০০০০০

ভূমিকম্প বিধবস্ত ম্যানমাৰ-থাইলেণ্ডৰ বাতৰি আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰিকাকতসমূহৰ প্ৰথম পৃষ্ঠাত আলোকচিত্ৰসহ স্থান লাভ কৰা পৰিলক্ষিত হৈছে। বাতৰিটো অসমীয়া প্ৰতিদিন কাকতে যোল্লশ অতিক্ৰম কৰিলে মৃতকৰ সংখ্যাই, ধ্বংসস্তূপত ওলায়েই আছে মৃতদেহ, অসমীয়া খবৰ কাকতে মৃত্যু উপত্যকাত ম্যানমাৰ-বেংকক, দি আছাম ট্ৰিবিউন কাকতে ম্যানমাৰ ভূমিকম্পত মৃত্যুৰ সংখ্যা যোল্লশলৈ বৃদ্ধি, দৈনিক জনমভূমি কাকতে আদি শিৰোনামেৰে প্ৰকাশ কৰিছে। অপাৰেশ্যন ব্ৰহ্মাৰ অধীনত ম্যানমাৰলৈ ভাৰতৰ ১৫ টন সাহায্য সামগ্ৰী প্ৰেৰণ কৰাৰ বাতৰি দৈনিক জনমভূমি কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। চৰকাৰী বিভাগসমূহে বিদ্যুৎ মাচুলৰ বাবদ এ পি ডি চি এলক ৩৮ কোটি ৭৩ লাখ টকা দিবলৈ বাকী থকাৰ বাতৰি এটাও কাকতখনে গুৰুত্বসহকাৰে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

সাংবাদিক দিলৱাৰ হুছেইন মজুমদাৰ কাৰামুক্ত হোৱাৰ বাতৰিটো দৈনিক অগ্ৰদূত, আমাৰ অসম, অসমীয়া প্ৰতিদিন, দৈনিক অসম আদি কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

ছত্তিশগড়ত নিৰাপত্তাৰক্ষীৰ গুলীত কেইবাজনো মাওবাদী নিহত হোৱাৰ বাতৰিটো নিয়মীয়া বাৰ্তা কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

**ধাৰৰ বোজাৰে সামৰণি পৰিল ২০২৪-২৫ বিত্তীয় বৰ্ষ ঃ বিভাগে বিভাগে তীব্ৰ আৰ্থিক সংকট** এই শিৰোনামেৰে ক্ৰমবৰ্ধমান ঋণৰ বোজাৰে ৰাজ্য চৰকাৰে ২০২৪-২৫ বিত্তীয় বৰ্ষৰ সামৰণি পৰাৰ বাতৰিটো অসমীয়া প্ৰতিদিন কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

বিশিষ্ট কণ্ঠশিল্পী হীৰা দাসৰ বিয়োগৰ বাতৰিটো আজি গুৱাহাটীৰ পৰা প্ৰকাশিত প্ৰায়ভাগ কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

ৰাজস্থান ৰয়েলছৰ অধিনায়ক তথা অসম সন্তান ৰিয়ান পৰাগৰ নেতৃত্বত দলটোৰ মুখ্য প্ৰশিক্ষক ৰাহুল দ্ৰাবিড়ে প্ৰশংসা কৰাৰ বাতৰি এটা দৈনিক জনমভূমি কাকতে প্ৰকাশ কৰিছে। ভাৰতীয় মূলৰ মহাকাশচাৰী সুনীতা উইলিয়ামছ মহাকাশৰ পৰা পৃথিৱীলৈ ঘূৰি অহাৰ পাছত এইবাৰ চতুৰ্থবাৰৰ বাবে মহাকাশলৈ যাব অসমৰ জোঁৱাই মাইক ফিন্‌কে- এই বাতৰিটোও কাকতখনে প্ৰথম পৃষ্ঠাত স্থান দিছে।

ভাৰত চৰকাৰ আৰু জাপানৰ মাজত অসমৰ কৃষি আৰু জীৱিকা উন্নয়ন প্ৰকল্পৰ প্ৰসাৰৰ বাবে চুক্তি স্বাক্ষৰিত হোৱা বাতৰিটো দ্যা ছেণ্টিনেল কাকতে প্ৰকাশ কৰিছে।

এতিয়া আমি পুনৰ বাতৰিৰ মাজলৈ ঘূৰি যাও।

০০০০০০

গুৱাহাটী উচ্চ ন্যায়ালয়ে তিনিগৰাকী ৰাজনৈতিক নেতাৰ গোচৰৰ স্থিতি সম্পৰ্কে সামাজিক মাধ্যমযোগে প্ৰশ্ন সোধাৰ বাবে গ্ৰেপ্তাৰ হোৱা প্ৰদেশ কংগ্ৰেছৰ মুখপাত্ৰ ৰীতম সিঙৰ অন্তৰৱৰ্তী জামিন মঞ্জুৰ কৰিছে। অৱশ্যে আইনী আনুষ্ঠানিকতা সম্পূৰ্ণ নোহোৱাৰ বাবে শ্ৰী সিঙক লখিমপুৰ কাৰাগাৰৰ পৰা এতিয়াও মুকলি কৰি দিয়া হোৱা নাই। ৰীতম সিঙক লখিমপুৰ আৰক্ষীৰ এটা দলে ১৫ মাৰ্চত গুৱাহাটীৰ বাসগৃহৰ পৰা গ্ৰেপ্তাৰ কৰিছিল আৰু তেতিয়াৰে পৰা তেওঁ লখিমপুৰত ন্যায়িক জিম্মাত আছে।

০০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি দুখন খেল খেলোৱা হ'ব। বিয়লি চাৰে ৩ বজাত বিশাখাপট্টনমত হ'বলগীয়া প্ৰথমখন খেলত ডেলহী কেপিটেলছ চানৰাইজাৰ্ছ হায়দৰাবাদৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। সন্ধিয়া চাৰে ৭ বজাত গুৱাহাটীৰ বৰ্ষাপাৰাৰ অসম ক্ৰিকেট সন্থাৰ ষ্টেডিয়ামত হ'বলগীয়া দ্বিতীয়খন খেলত

ৰাজস্থান ৰয়েলছ, চেন্নাই ছুপাৰ কিংছৰ সন্মুখীন হ'ব। খেলখনক লৈ দৰ্শকৰ মাজত বিপুল উৎসাহ দেখা গৈছে। খেলখনৰ পূৰ্বে কালি অনুষ্ঠিত সংবাদমেলত ৰাজস্থান ৰয়েলছ্‌ৰ প্ৰশিক্ষক ৰাহুল দ্ৰাবিড়ে ৰিয়ান পৰাগক উচ্চ প্ৰশংসা কৰে। প্ৰথম দুখন খেলত পৰাজিত হ'লেও ৰিয়ান পৰাগৰ নেতৃত্ব ভাল হৈছে বুলি তেওঁ শলাগ লয়। ৰিয়ান পৰাগে বেছি বল খেলিবলৈ পালে দলৰ বাবেই লাভজনক হ'ব বুলি প্ৰশিক্ষকগৰাকীয়ে মন্তব্য কৰে। তেওঁ কয়, যে ৰিয়ান পৰাগে ৩ নম্বৰ ক্ৰমত বেটিং কৰাটো দলৰ বাবে যোগাত্মক দিশ।

গুজৰাট টাইটানছে যোৱা নিশা আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত অনুষ্ঠিত প্ৰতিযোগিতাৰ এখন খেলত মুম্বাই ইণ্ডিয়ানছক ৩৬ ৰানত পৰাস্ত কৰে। খেলখনত গুজৰাট টাইটানছে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি ছাই সুদৰ্শনৰ ৬৩ ৰানৰ সহায়ত নিৰ্ধাৰিত ২০ অভাৰত ৮ টা উইকেট হেৰুৱাই ১৯৬ ৰান সংগ্ৰহ কৰে। মুম্বাইৰ হৈ হাৰ্ডিক পাণ্ডিয়াই দুটা উইকেট দখল কৰে।

প্ৰত্যুত্তৰত মুম্বাই ইণ্ডিয়ানছে নিৰ্ধাৰিত ২০ অভাৰত ৬টা উইকেটৰ বিনিময়ত ১৬০ ৰানহে কৰিবলৈ সমৰ্থ হয়। মুম্বাইৰ হৈ সূৰ্যকুমাৰ যাদবে ২৮ টা বলত ৪৮ ৰান কৰে। গুজৰাটৰ মহম্মদ ছিৰাজ আৰু প্ৰসিদ্ধ কৃষ্ণাই দুটাকৈ উইকেট দখল কৰে।

০০০০০০

ডিব্ৰুগড় বিশ্ববিদ্যালয় খেলপথাৰত কালি অনুষ্ঠিত চতুৰ্থ বাৰ্ষিক নিলয় দত্ত আন্তঃবিশ্ববিদ্যালয় টি-২০ ক্ৰিকেট প্ৰতিযোগিতাত আই আই টি গুৱাহাটীয়ে বিজয়ীৰ খিতাপ অৰ্জন কৰিছে। কালি অনুষ্ঠিত চূড়ান্ত খেলত আই আই টি গুৱাহাটীয়ে ডিব্ৰুগড় বিশ্ববিদ্যালয়ক পৰাজিত কৰি এই খিতাপ অৰ্জন কৰে। ডিব্ৰুগড় জিলা ক্ৰীড়া সন্থাৰ উদ্যোগত আৰু অসম ক্ৰিকেট সন্থাৰ তত্বাৱধানত কালি অনুষ্ঠিত প্ৰতিযোগিতাৰ বঁটা প্ৰদান অনুষ্ঠানত কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ আংশিকভাৱে ডাৱৰীয়া হৈ থকাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩৬ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন তাপমাত্ৰা ২২ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অৰুণাচল প্ৰদেশ, অসম আৰু মেঘালয়ৰ ঠাই বিশেষে পাতলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি আগলি বতৰা দিছে। আনহাতে নাগালেণ্ড, মিজোৰাম, ত্ৰিপুৰা আৰু মণিপুৰত বতৰ শুকান হৈ থাকিব বুলি আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই লগতে প্ৰকাশ কৰিছে।

০০০০০০

সমাপ্ত